জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৭৯/২০২২**

## তিৰা মাথনলাই তখ্ৰাৰ দ্বাদশ সাধাৰণ অধিৱেশনৰ মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰী ড° শৰ্মাই

## আমি সকলোৱে জনজাতীয় ভাষাসমূহৰ স্বতন্ত্ৰতা মানি লোৱা উচিত ঃ মুখ্যমন্ত্ৰী

## ৫০ কোটি টকা ব্যয়ৰে ৰহাৰ জোঙালবলহু গড়ক আকৰ্ষণীয় পৰ্যটনস্থলী হিচাপে গঢ়ি তোলাৰ ঘোষণা মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ২৮ ফেব্ৰুৱাৰী ঃ** "প্ৰতিটো ভাষাই হৈছে সেই ভাষা কোৱা লোকসকলৰ স্বকীয় পৰিচয়ৰ প্ৰতীক। তিৱা ভাষা অসমৰ এক অন্যতম প্ৰধান ভাষা আৰু এটা বৃহৎ জনগোষ্ঠীৰ জাতীয় জীৱনৰ বাহক।"— আজি নগাঁও জিলাৰ বাৰপূজীয়াস্থিত ৪২'ৰ শ্বহীদ হেমৰাম পাটৰ ক্ষেত্ৰত আয়োজিত তিৱা মাথনলাই তখ্ৰা (তিৱা সাহিত্য সভা)ৰ দ্বাদশ সাধাৰণ অধিৱেশনৰ মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইদৰে কয়।

ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ উক্তি দাঙি ধৰি মুখ্যমন্ত্ৰীয়ে কয় যে সাহিত্য হৈছে এটা জাতিৰ দাপোন। জাতীয় জীৱন সংকীৰ্ণ হ'লে জাতীয় সাহিত্যও সংকীৰ্ণ হ'ব। যি জাতিৰ জাতীয় জীৱন শক্তিশালী, সেই জাতিৰ সাহিত্যও শক্তিশালী। ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীৰ ভাষা-সাহিত্যৰ উত্তৰণ হ'লেহে সামগ্ৰিকভাৱে বৃহৎ জাতিটোৰ উত্তৰণ হয় বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আমি সকলোৱে জনজাতীয় ভাষাসমূহৰ স্বতন্ত্ৰতা মানি লোৱা উচিত। তিৱা জনগোষ্ঠীৰ লোকসকলক নিজৰ ঐতিহ্য, পৰম্পৰা চৰ্চাৰ পৰা আঁতৰি নাহিবলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে এই দৃষ্টিভংগী সন্মুখত ৰাখি আগুৱাই গ'লেহে তিৱাসকল জগৎ সভাত জিলিকি থাকিব। মাথোঁ নিজৰ আদিমতম বিশ্বাস, পৰম্পৰা আৰু লোকাচাৰ বুকুত সাবটিহে তিৱা জাতি নিজস্ব পৰিচয়ৰে বিশ্বৰ বুকুত পৰিচিত হ'ব। তিৱা ভাষা-সাহিত্যৰ চৰ্চাৰ সমান্তৰালভাৱে ভাষাটোৰ উৎকৃষ্ট সাহিত্যৰাজি অসমীয়াকে ধৰি অন্যান্য ভাষালৈ অনুবাদ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ কয় যে পৰস্পৰৰ মাজত প্ৰতিযোগিতাৰে নহয়, সহযোগিতাৰ সম্পৰ্ক গঢ়িলেহে ভাষা-সাহিত্য শক্তিশালী হ'ব। একবিংশ শতিকাত তিৱা ভাষা সাহিত্যইও পৰিৱৰ্তনৰ সৈতে দৃঢ়তাৰে খোজ দি আগবাঢ়ি যাব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে সাহিত্য সৃষ্টি হয় প্ৰকৃতি, মানুহৰ সুখ-দুখ, অনুভূতি, বিশ্বাস, পৰম্পৰাৰ পৰা। সাহিত্যৰ পটভূমি সম্পৰ্কে মহাকবি বাল্মিকীৰ শ্লোকৰ পৰা আৰম্ভ কৰি কবি যতীন্দ্ৰ নাথ দুৱৰাৰ উক্তি দাঙি

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

ধৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই সাহিত্যৰ তাৎপৰ্য আৰু গুৰুত্ব সম্পৰ্কে এক সাৰগৰ্ভ বক্তৃতা দাঙি ধৰে।

তিৱা ভাষা সাহিত্যৰ উত্তৰণৰ বাবে তিৱা সাহিত্য সভাই গ্ৰহণ কৰি অহা নিৰলস প্ৰয়াসৰ শলাগ লৈ মুখ্যমন্ত্ৰীয়ে কয় যে ভাষা গৌৰৱ আঁচনিৰ লগতে জনগোষ্ঠীয় বিশ্বাস আৰু পৰম্পৰা বিভাগৰ জৰিয়তে ৰাজ্য চৰকাৰেও তিৱা ভাষাৰ লগতে প্ৰতিটো জনগোষ্ঠীয় ভাষাৰ বিকাশৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিছে। নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি অনুসৰি ৰাজ্য চৰকাৰে তিৱা, বড়ো, মিচিং, কাৰ্বি, ডিমাছা আদি প্ৰতিটো জনগোষ্ঠীৰে নিজ নিজ মাতৃভাষাত প্ৰাথমিক শিক্ষা প্ৰদানৰ বাবে যাৱতীয় পদক্ষেপ হাতত লৈছে। ৰাজ্য চৰকাৰৰ ভূমি নীতিৰ পৰিপূৰক হিচাপে জনজাতীয় ভূমি আৱণ্টন নীতি গ্ৰহণৰ জৰিয়তে জনজাতীয় লোকসকলে বংশানুক্ৰমিকভাৱে ভোগ দখল কৰি অহা ভূমিৰ অধিকাৰ প্ৰদানৰ বাবেও প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে। তিৱা স্বায়ত্ত শাসিত পৰিষদক অধিক শক্তিশালী কৰাৰ লগতে জনগোষ্ঠীটোৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে প্ৰয়োজনীয় সকলো পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে কিংবদন্তি তিৱা বীৰ জোঙালবলহুক জাতীয় বীৰৰ মৰ্যাদা প্ৰদানৰ পদক্ষেপ লোৱাৰ লগতে ৰাজ্য চৰকাৰে ৫০ কোটি টকা ব্যয়ৰে ৰহাৰ জোঙালবলহু গড়ক আকৰ্ষণীয় পৰ্যটনস্থলী হিচাপে গঢ়ি তুলিব।

আজিৰ অনুষ্ঠানত অধিৱেশনৰ আদৰণী সমিতিৰ সভাপতি তথা মৰিগাঁও বিধানসভা সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰী, ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাস, তিৱা স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, তিৱা মাথনলাই তখ্বাৰ বিদায়ী সভাপতি লালচিং মাদাৰ, নৱনিৰ্বাচিত সভাপতি দীপেন্দ্ৰ নাথ বৰদলৈ প্ৰমুখ্যে তিৱা স্বায়ত্তশাসিত পৰিষদ আৰু তিৱা মাথনলাই তখ্বাৰ বিষয়ববীয়াসকল আৰু বহুকেইগৰাকী গণ্য-মান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

**প্ৰঃকুঃবঃ**
**২৮-২-২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in